**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-04-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। শ্লোভাকিয়া ভ্ৰমণৰত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে ব্ৰাতিশ্লাভাত **শ্লভক-ইণ্ডিয়া বিজনেচ ফ'ৰাম** মুকলি কৰে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ নতুন দিল্লীত **এছিয়া বিজনেচ কাউন্সিল স্প্ৰীং ফ'ৰাম ২০২৫**ত উপস্থিত থাকে।

৩। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে মধ্যপ্ৰদেশৰ বাদনাৱাৰ-উজ্জইন ৰাষ্ট্ৰীয় ঘাইপথ মুকলি কৰে।

৪। মুম্বাইত সংঘটিত ২৬-১১ৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ অভিযুক্ত তাহাবুৰ ৰাণাক দিল্লীলৈ অনা হৈছে।
***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত খন্তেক পাছতে বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত ডেলহি কেপিটেলছ-ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব।

০০০০০

শ্লোভাকিয়া ভ্ৰমণৰত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে আজি ব্ৰাতিশ্লাভাত শ্লভক-ইণ্ডিয়া বিজনেচ ফ'ৰাম মুকলি কৰে। অনুষ্ঠানত শ্লভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিনি আৰু বৈদেশিক মন্ত্ৰী জুৰাজ ব্লানাৰো উপস্থিত থাকে। ব্যৱসায়িক সম্ভাৱনাক সচা সহযোগিতালৈ পৰিৱৰ্তিত কৰাৰ লগতে সহযোগী গঠনৰ ক্ষেত্ৰত এই ফ'ৰাম মূল চাবিকাঠি হব বুলিও ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আলোকপাত কৰে। শ্ৰীমতী মুৰ্মুৱে ভাৰতক দ্ৰুত বিকশিত অৰ্থনীতিৰ দেশ হিচাপে অভিহিত কৰাৰ লগতে অদূৰ ভৱিষ্যতে বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিৰ দেশ হব বুলিও দৃঢ়তাৰে কয়।

শ্লোভাকিয়াৰ উদ্যোগিক শক্তি আৰু কৌশলগত অৱস্থানক আলোকপাত কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে শ্লোভাকিয়াই ভাৰতক বিকাশ আৰু সহযোগিতাৰ বাবে যথেষ্ট সুযোগ প্ৰদান কৰিছে। তেওঁ লগতে কয়, যে ভাৰতৰ দক্ষ মানৱ সম্পদ শ্লোভাকিয়াৰ অৰ্থনীতিৰ বাবে মূল্যৱান সম্পদৰূপে বিবেচিত হব। শ্লোভাকিয়াৰ ৰাষ্ট্ৰপতি পেলিগ্ৰিনিয়ে কয় যে দূৰত্বৰ ব্যৱধান সত্তেও ভাৰত আৰু শ্লোভাকিয়াৰ সম্পৰ্ক শক্তিশালী হৈছে। তেওঁ কয়, যে শ্লোভাকিয়াৰ সুদক্ষ অভিযান্ত্ৰিক ব্যৱস্থাৰ সৈতে ভাৰতৰ তথ্য প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সহযোগে যথেষ্ট সফলতা লাভত সহায় কৰিব।

ইয়াৰ পূৰ্বে শ্লোভাকিয়া ভ্ৰমণৰ দ্বিতীয় দিনটোত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ৰামায়ণৰ কাহিনী আধাৰিত পুতলা নাচ উপভোগ কৰে। ৰামায়ণৰ কাহিনী আধাৰিত এই পুতলা নাচৰ যোগেদি ভাৰতীয় সংস্কৃতিক শ্লোভক জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ প্ৰয়াস কৰাৰ লগতে ৰামায়ণৰ প্ৰমূল্যসমূহত আলোকপাত কৰিব বিচৰা হৈছে। বিগত ৩০ বছৰ ধৰি শিশুসকলৰ মাজত পুতলা নাচৰ মাধ্যমৰে শিক্ষা প্ৰদান কৰি অহা লেংকা মুকভা নামৰ লোকগৰাকীয়ে এই

পুতলা নাচৰ প্ৰদৰ্শনী আগবঢ়াইছে। শ্ৰীমতী মুৰ্মুৱে এখন চিত্ৰকলা প্ৰদৰ্শনী দৰ্শন কৰে। এই পদক্ষেপসমূহৰ জৰিয়তে দুয়োখন দেশৰ মাজত সাংস্কৃতিক বুজাবুজি আৰু সম্পৰ্ক শক্তিশালী কৰাৰ আশা কৰা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি নতুন দিল্লীত অনুষ্ঠিত এছিয়া বিজনেচ কাউন্সিল স্প্ৰীং ফ'ৰাম ২০২৫ত উপস্থিত থাকে। সামাজিক মাধ্যমযোগে তেওঁ কয় যে আন্তৰাষ্ট্ৰীয় ক্ষেত্ৰত চলি থকা পৰিৱৰ্তন, গোলকীয় দক্ষিণত ইয়াৰ প্ৰভাৱ আৰু এই পদক্ষেপক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ভাৰতৰ ভূমিকা সম্পৰ্কে অনুষ্ঠানত আলোচনা কৰা হয়।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি মধ্যপ্ৰদেশৰ বাদনাৱাৰ-উজ্জইন ৰাষ্ট্ৰীয় ঘাইপথ মুকলি কৰে। এই ৰাষ্ট্ৰীয় ঘাইপথটো ভাৰতমালা প্ৰকল্পৰ অধীনত মধ্যপ্ৰদেশৰ ধৰ জিলাৰ বাদনাৱাত এহেজাৰ ৩৫২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে। মন্ত্ৰী শ্ৰীগাডকাৰীয়ে ৫ হাজাৰ ৮০০ কোটি টকা ব্যয়সাপেক্ষ ৩২৮ কিলোমিটাৰ দৈঘ্যৰ ১০ টা পথ প্ৰকল্পৰ ভূমি পূজন কৰে। এই অনুষ্ঠানত শ্ৰীগাডকাৰীয়ে কয়, যে মধ্য প্ৰদেশত ৩৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে ৫ টা সেউজ অৰ্থনীতি কৰিডৰ নিৰ্মাণ কৰা হ'ব। ওম-কাৰেশ্বৰৰ নৰ্মদা নদীৰ ওপৰত বিশ্বমানৰ এখন বিশেষ দলং নিৰ্মাণ কৰা হ'ব বুলিও শ্ৰীগাডকাৰীয়ে জানিবলৈ দিয়ে। ইয়াৰোপৰি এহেজাৰ ২০০ কোটি টকা ব্যয়সাপেক্ষে ৬ টা ৰৌজ্জু পথ নিৰ্মাণ কৰা হ'ব। ৩ লাখ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া আন্তঃগাথনি প্ৰকল্পৰ এটা বছৰতে সমাপ্ত হ'ব বুলিও শ্ৰীগাডকাৰীয়ে জানিবলৈ দিয়ে।

০০০০০

আজি মহাবীৰ জয়ন্তী। ২৪ সংখ্যক তথা শেষৰ জন জৈন তীৰ্থংকৰ ভগৱান মহাবীৰৰ জন্মবাৰ্ষিকী দেশৰ বিভিন্ন অংশত উলহ-মালহেৰে উদযাপন কৰা হৈছে। জৈন ধৰ্মাৱলম্বীলোকসকলৰ বাবে এই দিনটো অতিকৈ পৱিত্ৰ বুলি গণ্য কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাবীৰ জয়ন্তী উপলক্ষে জৈন ধৰ্মাৱলম্বী লোকসকললৈ ওলগ জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে প্ৰভু মহাবীৰৰ আদৰ্শই সমগ্ৰ বিশ্বৰ অগণন লোকক অনুপ্ৰাণিত কৰি আহিছে। জৈন সম্প্ৰদায়ৰ লোকসকলে মহাবীৰৰ ৰচনাসমূহক সুন্দৰভাৱে সংৰক্ষিত কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে ধৰ্মগুৰুগৰাকীৰ দৰ্শনসমূহ ৰূপায়ণ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০

মুম্বাইত সংঘটিত ২৬-১১ৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ অভিযুক্ত তাহাৱুৰ ৰাণাক আজি দিল্লীলৈ অনা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী পিযুছ গোৱেলে সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃঢ় সংকল্পৰ বাবে মুম্বাই আক্ৰমণৰ অভিযুক্তগৰাকীক ভাৰতলৈ আনিবলৈ সমৰ্থ হৈছে আৰু অভিযুক্ত তাহাৱুৰক আইনমতে উপযুক্ত শাস্তি বিহা হ'ব। মুম্বাইত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰী শ্ৰীগোৱেলে অভিযোগ কৰে যে সন্ত্ৰাসবাদীক শাস্তি দিয়াৰ ক্ষেত্ৰত কংগ্ৰেছ চৰকাৰে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই।

উল্লেখযোগ্য যে তাহাৱুৰ ৰাণাক ভাৰতলৈ প্ৰত্যাৰ্পনৰ বিৰোধিতাৰে অভিযুক্ত লোকজনে আকৌ এবাৰ জনোৱা আবেদন আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ে অগ্ৰাহ্য কৰাৰ পাছত অৱশেষত তাহাৱুৰক ভাৰতলৈ অনাৰ ব্যৱস্থা কৰা হৈছে।

অভিযুক্ত তাহাবুৰ ৰানাৰ বিচাৰ আৰু আনুসংগিক গোচৰৰ বাবে নৰেন্দৰ মানক বিশেষ চৰকাৰী অধিবক্তা হিচাপে নিযুক্তি দিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই এৰ দিল্লীৰ বিশেষ আদালতকে ধৰি সংশ্লিষ্ট আদালতসমূহত অনুসন্ধানকাৰী সংস্থাটোৰ হৈ অংশগ্ৰহণ কৰাৰ বাবে নৰেন্দৰ মানক ৩ বছৰৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছে।

০০০০০

শুল্ক ব্যৱস্থা সন্দৰ্ভত চীনে আমেৰিকাৰ সৈতে সংঘাট বিচৰা নাই বুলি প্ৰকাশ কৰিছে। চীনৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ লিন জিয়ানে কয়, যে চীন ক্ষান্ত নাথাকিব। জনসাধাৰণৰ বৈধ অধিকাৰ খৰ্ব হবলৈ দিয়া নহব বুলি মুখপাত্ৰগৰাকীয়ে উল্লেখ কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে চীনৰ বাহিৰে আন সকলো দেশৰ বাবে প্ৰতিশুল্ক ব্যৱস্থা ৯০ দিনৰ বাবে বন্ধ ৰখাৰ কথা ঘোষণা কৰাৰ পাছতে তেওঁ এই মন্তব্য কৰে। উল্লেখযোগ্য যে চীনৰ বাবে শুল্কৰ হাৰততালিকে কাৰ্যকৰী হোৱাকৈ ১২৫ শতাংশলৈ বৃদ্ধি কৰা হৈছে।

০০০০০

ভাৰতীয় মহিলা হকী দলটো অহা ২৬ এপ্ৰিলৰ পৰা ৪ মে'লৈ হবলগীয়া ৫ খনীয়া শৃংখলাৰ বাবে অষ্ট্ৰেলিয়ালৈ যাব। ২৬ আৰু ২৭ এপ্ৰিলত ভাৰতীয় দলটোৱে অষ্ট্ৰেলিয়া-এৰ বিৰুদ্ধে খেল আৰম্ভ কৰিব। মে' মাহৰ ১, ৩ আৰু ৪ তাৰিখত দলটোৱে জ্যেষ্ঠ অষ্ট্ৰেলিয়া দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিয়োগিতাৰ আটাইকেইখন খেল পাৰ্থ হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

এফ আই এইচ বিশ্ব ৰেংকিঙত ভাৰত নৱম স্থানত থকাৰ বিপৰীতে অষ্ট্ৰেলিয়া দলটো তালিকাৰ পঞ্চম স্থানত আছে।

০০০০০

ভাৰতৰ ধ্ৰুব কপিলা আৰু তনিছা ক্ৰাষ্টৰ যুটিটো চীনৰ নিংবোত অনুষ্ঠিত এছিয়া চেম্পিয়নশ্বিপ বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটিটো আজি মিক্সড ডাবলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথমখন খেলত চীনা টাইপেৰ ৰং ৰেই য়ে আৰু নিক'লে গঞ্জালেছ ছানৰ হাতত ১২-২১ ৰ ব্যৱধানত পৰাজিত হয় যদিও পৰৱৰ্তী দুখন খেলত ২১-১৬ আৰু ২১-১৮ ব্যৱধানত জয়ী হয়।

ইপিনে, মহিলাৰ ছিংগল্‌ছত দুবাৰকৈ অলিম্পিকৰ পদক বিজেতা পি ভি সিন্ধু জাপানৰ প্ৰতিদ্বন্দ্বী আকানে য়ামাগুচিৰ হাতত দ্বিতীয় ৰাউণ্ডত পৰাজিত হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত খন্তেক পাছতে ডেলহি কেপিটেলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব। টছত জিকি দেলহী কেপিটেলছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ জনায়।

এতিয়ালৈকে দেলহী কেপিটেলছে একেৰাহে ৩ খন খেলত জয়লাভ কৰি ৬ পইণ্ট লাভেৰে পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে। আনহাতে, ৪ খন খেলৰ ভিতৰত ৩ খনত জয়লাভ কৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু পইণ্ট তালিকাৰ তৃতীয় স্থানত আছে।

গুজৰাট টাইটানছে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৫৮ ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ২১৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে গুজৰাট

টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২১৭ ৰান কৰে। গুজৰাটৰ হৈ ছাই সুদৰ্শনে ৫৩টা বলত ৮২ ৰান কৰে। সুদৰ্শনক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ooooo

সমাপ্ত